সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা



Under CSR Support by
ipca | Foundation

সপ্তম শ্রেণীৰ পাঠ্যপুথি

সমাজ বিজ্ঞান

(দ্বিতীয় ভাগ)

ভূগোল

পাঠ – ৫

সম্পদ

অংশ – ৫ (প্রশ্ন-উত্তৰ)

জ্যোতি দাস

অনুশীলনী

১। সম্পদ বুলিলে কি বুজা? সম্পদৰ প্রধান ভাগ কেইটা আৰু কি কি লিখা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ আমাৰ দৈনন্দিন জীৱনৰ প্ৰয়োজন পূৰাবলৈ বিভিন্ন সামগ্ৰী বা দ্ৰব্যৰ প্ৰয়োজন হয়। মানুহৰ এনে প্ৰয়োজন পূৰাবলৈ কোনো উৎসৰপৰা আহৰণ কৰিব পৰা দ্ৰব্য বা সামগ্ৰীসমূহেই হ'ল সম্পদ।

সম্পদৰ প্ৰধান ভাগ তিনিটা-

(ক) প্ৰাকৃতিক সম্পদ।

(খ) মানৱ সম্পদ। আৰু

(গ) মানৱসৃষ্ট সম্পদ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২। ‘মানৱ হৈছে শ্ৰেষ্ঠ জৈৱিক সম্পদ।’ যুক্তি দৰ্শাই লিখা (এশমান শব্দৰ ভিতৰত)।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ শাৰিৰীক বা মানসিকভাৱে কোনো উৎপাদনমূলক কাম কৰিবলৈ সক্ষম ব্যক্তিসকলেই মানৱ সম্পদ। বুদ্ধি-বৃত্তি থকা প্ৰাণী হিচাপে মানুহে নিজৰ উন্নয়ন সাধিব পাৰে। মানুহে প্ৰকৃতিক সম্পদসমূহৰো উপযুক্ত ব্যৱহাৰ, সংৰক্ষণ আদিৰ ক্ষেত্ৰত বুদ্ধি-বৃত্তি খটুৱাই উৎকৰ্ষ সাধন কৰিব পাৰে। সেই ফালৰ পৰা চাবলৈ গ'লে ব্যক্তিৰ বুদ্ধিমত্তা, কৰ্মদক্ষতা আৰু কৌশল, উৎপাদন

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ক্ষমতা আৰু কর্মৰ আচৰণবিধিয়ে দেশ এখনৰ সমৃদ্ধিৰ বা উন্নতিৰ প্রধান কাৰক বুলিব পাৰি। সেয়েহে মানুহেই শ্রেষ্ঠতম জৈৱিক সম্পদ।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। তুমি জনা প্ৰাকৃতিক সম্পদসমূহ কি কি?সেইবোৰৰ সংৰক্ষণ ব্যৱস্থা সম্পৰ্কে চমুকৈ লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ সম্পদ আমি কেইবাটাও ভাগত ভাগ কৰিব পাৰো উদাহৰণ স্বৰূপে - **নবীকৰণক্ষম সম্পদঃ-** যিবোৰ সম্পদ মানুহে অহৰহ ব্যৱহাৰ কৰি থাকিলেও শেষ হৈ নাযায় । যেনে- সূৰ্য্যৰ তাপ

অ-নবীকৰণক্ষম সম্পদঃ- অ-নবীকৰণক্ষম সম্পদ প্ৰকৃতিৰ পৰা এবাৰ আহৰণ কৰাৰ পিছত পুনৰ সৃষ্টি নহয় ।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

জৈৱিক সম্পদ: জীৱ জগতৰ পৰা আমি যি সম্পদ আহৰণ কৰো সেয়াই জৈৱিক সম্পদ।

অজৈৱিক সম্পদ: জীৱহীন সম্পদবোৰেই অজৈৱিক সম্পদ।

সর্বব্যাপী সম্পদ: সকলোতে পোৱা সম্পদবোৰেই সর্বব্যাপী সম্পদ।

স্থানভিত্তিক সম্পদ: এক নির্দিষ্ট পৰিবেশ আৰু অৱস্থাত সম্পদ সমূহেই স্থানভিত্তিক সম্পদ।

প্ৰকৃত সম্পদ: মানুহে সদব্যৱহাৰ কৰি আৰু কামত লগাই প্ৰকৃতিৰ পৰা ইতিমধ্যে যিবোৰ সম্পদ আহৰণ কৰিছে সেইবোৰেই প্ৰকৃত সম্পদ।

সম্ভাৱনাপূৰ্ণ সম্পদ: যিবোৰ সম্পদৰ আমাৰ ভৱিষ্যত উন্নয়নত সহায় কৰাৰ সম্ভাবনীয়তা অধিক আৰু বৰ্তমান ইয়াৰ ব্যৱহাৰে তেনে সম্ভাবনীয়তাৰে উমান দিয়ে, সেইবোৰেই সম্ভাৱনাপূৰ্ণ সম্পদ।



গতিকে নৱীকৰণক্ষম সম্পদৰ সংৰক্ষণ নকৰিলেও হয় কিন্তু বাকী ভাগসমূহৰ প্ৰতিটো সম্পদ সংৰক্ষণ কৰাটো অতি জৰুৰী হৈ পৰিছে পানী মাটি বায়ু এইবোৰ দিনক দিনে প্ৰদুষিত হৈ পৰিছে । গতিকে এইবোৰক ৰক্ষণাবেক্ষণ দিয়াতো আৰু প্ৰদুষণ মুক্ত কৰিবৰ বাবে ব্যৱস্থা কৰিব লাগিব।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

প্ৰাকৃতিক সম্পদ সংৰক্ষণৰ ব্যৱস্থা

পানী সংৰক্ষণৰ বাবে	শক্তি সংৰক্ষণৰ বাবে	ভূমি সংৰক্ষণৰ বাবে
বৰষুণৰ পানী জমা কৰি পুনৰ ব্যৱহাৰৰ ব্যৱস্থা কৰা।	সৌৰশক্তি, পৰমাণু শক্তি আদি বৈকল্পিক শক্তি সম্পদক দৈনন্দিন প্ৰয়োজনীয় শক্তি হিচাপে ব্যৱহাৰ কৰা।	প্ৰাকৃতিকভাবে মাটিৰ উৰ্বৰতা বৃদ্ধি কৰি প্ৰয়োজনীয় খাদ্যশস্য উৎপাদন কৰা।
ঘৰুৱা আৰু ঔদ্যোগিক উভয় ক্ষেত্ৰতে পানী ব্যৱহাৰত মিতব্যয়ী হোৱা।	শক্তি আহৰণত ইন্ধনৰ অপব্যয় নকৰা।	ভূমিক্ষয় প্ৰতিৰোধী উদ্ভিদ ৰোপণ কৰা।
	উত্তম, কৰ্মক্ষম ইন্ধন ব্যৱহাৰ কৰা।	
	যথাসম্ভব কম পৰিমাণে জীৱাশ্ম ইন্ধন ব্যৱহাৰ কৰা।	

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৪। দীর্ঘম্যাদী উন্নয়ন বুলিলে কি বুজা?
দীর্ঘম্যাদী উন্নয়ন কিয় প্রয়োজন লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ মানুহৰ জীৱনৰ প্ৰয়োজনীয়তা বৰ্তমান আৰু ভবিষ্যত উভয়তে পূৰাব পৰা ব্যৱস্থাই দীৰ্ঘম্যাদী উন্নয়ন বুজায়।

আমাৰ দৈনন্দিন কামকাজত ব্যৱহাৰ হৈ থকা প্ৰায় বিলাক সম্পদ সীমিত। অৰ্থাৎ এইবোৰ অবিৰতভৱে ব্যৱহাৰ কৰি থাকিলে পৃথিৱীৰ পৰা নিঃশেষ হৈ যোৱাৰ সম্ভাৱনা থাকে। গতিকে সম্পদবোৰ আমাৰ হাতত উপলব্ধ হৈ থকা অৱস্থাত সেই বিষয়ত

চিন্তাচর্চা কৰাৰ স্থল আছে। আনকি সম্পদৰ উপযুক্ত ব্যৱহাৰ আৰু বিতৰণ নহলে উঠি অহা প্ৰজন্মই সেই সম্পদৰ সুবিধাখিনি নোপোৱাৰে সম্ভাৱনা অধিক। এইবোৰ বিষয় চালি জাৰি চাই কব পাৰি যে সম্পদ সংৰক্ষণৰ বাবে দীৰ্ঘম্যাদী উন্নয়ন প্ৰয়োজনীয়তা আছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৫। পার্থক্য লিখি উলিওৱা:

(ক) নবীকৰণক্ষম সম্পদ আৰু অ-নবীকৰণক্ষম সম্পদ।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ নবীকৰণক্ষম সম্পদ: যিবোৰ সম্পদ মানুহে অহৰহ ব্যৱহাৰ কৰি থাকিলেও শেষ হৈ নাযায়, তেনে সম্পদকেই নবীকৰণক্ষম সম্পদ বোলে। যেনে-মাটি,পানী,বায়ু।

অ-নবীকৰণক্ষম সম্পদ: অ-নবীকৰণক্ষম সম্পদ প্ৰকৃতিৰ পৰা এবাৰ আহৰণ কৰাৰ পিছত পুনৰ সৃষ্টি নহয় আৰু প্ৰকৃতিয়ে এইবোৰ পুনৰ উৎপাদন নকৰে। যেনে-খনিজ পদাৰ্থ, তাম, লো, জীৱাশ্ম।

(খ) সর্বব্যাপী সম্পদ আৰু স্থানভিত্তিক সম্পদ।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ সকলোতে পোৱা সম্পদবোৰক সৰ্বব্যাপী সম্পদ বোলে। যেনে- বায়ু।

এক নিৰ্দিষ্ট পৰিৱেশ আৰু অৱস্থাত স্থানভিত্তিক সম্পদসমূহ পোৱা যায়। যেনে- লোৰ আকৰ, তাম, কয়লা।



(গ) প্ৰকৃত সম্পদ আৰু সম্ভাবনাপূৰ্ণ সম্পদ।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ মানুহে সদব্যৱহাৰ কৰি আৰু কামত লগাই প্ৰকৃতিৰ পৰা ইতিমধ্যে যিবোৰ সম্পদ আহৰণ কৰিছে সেয়াই প্ৰকৃত সম্পদ। যেনে- কয়লা, পেট্ৰ'লিয়াম, ইউৰেনিয়াম আদি।

যিবোৰ সম্পদে আমাৰ ভৱিষ্যত উন্নয়নত সহায় কৰাৰ সম্ভাৱনা অধিক আৰু বৰ্তমান ইয়াৰ ব্যৱহাৰে তেনে সম্ভাৱনীয়তাৰে উমান দিয়ে, তাকে সম্ভাৱনাপূৰ্ণ সম্পদ বোলে। যেনে- বনৌষধি ক্ষেত্ৰত থকা সম্ভাৱনা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৬। শুদ্ধ উত্তৰটোত √ চিন দিয়া–

(ক) সম্পদ হ'বলৈ হ'লে তলৰ কোনটো প্ৰাসংগিক নহয়?

(i) পৰিমাণ। ✓

(ii) প্ৰয়োজন পুৰাব পৰা সামগ্ৰী। ✗

(iii) ব্যৱহাৰৰ বাবে উপযোগী। ✗

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

(খ) তলৰ কোনটো মানৱসৃষ্ট সম্পদ নহয়?

(i) পৰ্বত-পাহাৰ।

(ii) থকা ঘৰ।

(iii) জলবিদ্যুৎ।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৭।

তোমাৰ বাসস্থানৰ চৌপাশে থকা প্ৰাণী আৰু উদ্ভিদবোৰৰ তালিকা প্ৰস্তুত কৰা আৰু সেইবোৰৰ সংৰক্ষণ কিয় প্ৰয়োজন লিপিবদ্ধ কৰা।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

জীৱ-জন্তু	সংৰক্ষণ কিয় প্ৰয়োজন	উদ্ভিদ	সংৰক্ষণ কিয় প্ৰয়োজন
পোহনীয়া জীৱ জন্তু যেনে- গৰু, মহ	গাখীৰ (খাদ্য পাওঁ) কৃষিকার্য উৎপাদন	আম গছ, কঁঠাল	ফল, আশ্রয়, খৰি, কাঠ
ছাগলী, গাহৰি	মাংস (খাদ্য পাওঁ)	কলগছ	ফল
		হালধি, নিম, নৰসিংহ ইত্যাদি	ঔষধ প্রস্তুতকৰণত, খাদ্যৰ বাবে
বনৰীয়া জীৱজন্তু যেনে- বাঘ, সিংহ, শিয়াল, হাতী, গড়, বনৰীয়া গাহৰী, হৰিণ, ভালুক	পৰিৱেশত ভাৰসাম্যতা ৰক্ষা কৰিবলৈ	নাহৰ, চোম, হো, লোং, মেকাই, ইউকেলিপটাছ	কাঠ-খৰি, জীৱ-জন্তুৰ আশ্রয়স্থলী, সা-সামগ্রী নির্মাণৰ বাবে কাঠ
বিভিন্ন প্রজাতিৰ মাছ	খাদ্যৰ বাবে	বিভিন্ন ফুলগছ- গোলাপ, তগৰ, শেৱালি, জবা, কাঞ্চন	সৌন্দর্যবর্ধন আৰু সুগন্ধি দ্রব্য প্রস্তুত কৰিবলৈ